# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 16-05-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত আজি নেডাৰলেণ্ডছ ভ্ৰমণ কৰিব।

২। ভাৰতীয় নিৰাপত্তা সংস্থাসমূহে মাদক দ্ৰব্যৰ ছিণ্ডিকেট উৎখাট কৰাৰ বাবে ৰূপ ৰেখা প্ৰস্তুত কৰি এই দিশত অহৰহ কাম কৰি আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ দায়িত্বভাৰ গ্ৰহণৰ পাছত প্ৰথমবাৰৰ বাবে আজি ছিকিম ভ্ৰমণলৈ আহিব।

৪। চৰকাৰে পেট্ৰ'লৰ ৰপ্তানিৰ প্ৰতি লিটাৰত ৩ টকাকৈ বিশেষ অতিৰিক্ত আবকাৰী শুল্ক আৰোপ কৰিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশাৰ এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে, চেন্নাই চুপাৰ কিংছক ৭ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণসূচীৰ দ্বিতীয় পৰ্যায়ত যোৱানিশা নেডাৰলেণ্ডছত উপস্থিত হয়। ইউৰোপীয় দেশখনৰ সৈতে ভাৰতৰ কৌশলগত আৰু অৰ্থনৈতিক সম্পৰ্ক সুদৃঢ় কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীগৰাকী এই ভ্ৰমণলৈ গৈছে। দেশখনৰ বিদেশ মন্ত্ৰী টম বেৰেণ্ডছেনে শ্ৰীমোদীক এমষ্টাৰডাম বিমান বন্দৰত আদৰণী জনায়। এই ভ্ৰমণ কালত শ্ৰীমোদীয়ে দেশখনৰ ৰজা উইলেম আলেকজেণ্ডাৰ আৰু ৰাণী মেক্সিমাক সাক্ষাৎ কৰিব। তেওঁ লগতে নেদাৰলেণ্ডৰ প্ৰধানমন্ত্ৰী ৰব জেটেনৰ সৈতেও বৈঠকত মিলিত হ'ব। শেহতীয়াকৈ সমাপ্ত হোৱা ভাৰত-ইউৰোপ মুক্ত বাণিজ্য চুক্তিৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ এই ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰাৰ লগতে দেশ দুখনৰ মাজৰ সম্পৰ্ক বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে আজি নেডাৰলেণ্ডত বাস কৰা ভাৰতীয় সমূদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰাৰ উপৰি আগশাৰীৰ ডাটচ কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়াসকলক সাক্ষাৎ কৰিব। ভ্ৰমণৰ সময়ছোৱাত বিশেষকৈ ছেমিকণ্ডাক্টৰ ছিপছ আৰু কৃত্ৰিম বুদ্ধিমত্তা খণ্ডকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। নেডাৰলেণ্ড ভ্ৰমণৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে কালি সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ আবু ধাবিত ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ অল নাহ্য়ানৰ সৈতে এখন বৈঠকত মিলিত হয়।

নেডাৰলেণ্ড ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী মোদী কাইলৈ ছুইডেনৰ গোথেনবাৰ্গলৈ যাব আৰু দেশখনৰ প্ৰধানমন্ত্ৰী ওল্ফ কিষ্টাৰছনৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্ক পৰ্যালোচনা কৰাৰ লগতে সহযোগিতাৰ নতুন নতুন খণ্ডৰ বিষয়ত আলোচনা কৰিব। শ্ৰীমোদীয়ে ১৮ মে'ত নৰৱে ভ্ৰমণ কৰিব।

তাত তেওঁ তৃতীয় ভাৰত-নৰ্ডিক সন্মিলনত অংশ লোৱাৰ লগতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। ভ্ৰমণৰ অন্তিম পৰ্যায়ত তেওঁ ইটালীলৈ যাব আৰু তাত তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ছাৰ্জিঅ' মেটাৰেলাক সাক্ষাৎ কৰাৰ লগতে প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ সৈতে আলোচনাত মিলিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ২০৪৭ চনৰ ভিতৰত ভাৰত মাদক দ্ৰব্য মুক্ত দেশ হিচাপে ইয়াৰ নিৰ্ধাৰিত ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত অনুষ্ঠিত আৰ এন কাও স্মাৰক বক্তৃতাত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতীয় নিৰাপত্তা সংস্থাসমূহে মাদক দ্ৰব্যৰ ছিণ্ডিকেট উৎখাট কৰাৰ বাবে ৰূপ ৰেখা প্ৰস্তুত কৰিছে আৰু এই উদ্দেশ্যত উপনীত হ'বলৈ অহৰহ কাম কৰি আছে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কয় যে মাদক দ্ৰব্যৰ সৰবৰাহ কেৱল আইন শৃংখলা জনিত বিষয়েই নহয় বৰং সমাজৰ ভৱিষ্যত প্ৰজন্মৰ ওপৰত ইয়াৰ দীৰ্ঘম্যাদী কু-প্ৰভাৱ দেখা যায়। ইয়াৰ প্ৰভাৱ বা অস্তিত্ব নিৰ্মূলৰ বাবে বিস্তৃত কাৰ্য আঁচনি আৰু সঁহাৰিৰ প্ৰয়োজন। মাদক দ্ৰব্যৰ ক্ষেত্ৰত ভাৰতৰ শূন্য সহনশীলতাৰ নীতিৰ কথা দৃঢ়তাৰে ঘোষণা কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ চাৰিসীমাৰ ভিতৰত বা ইয়াৰ ভূ-খণ্ডত সামান্য পৰিমাণৰ মাদক দ্ৰব্যৰ উপস্থিতি নাইবা ব্যৱহাৰ কৰিবলৈ দিয়া নহ'ব।

শ্ৰীশ্বাহে লগতে কয়, যে মাদক দ্ৰব্যৰ পৰা আহৰণ কৰা ধন সন্ত্ৰাসবাদী কাৰ্যকলাপত আৰু অপৰাধমূলক কাম-কাজ ব্যৱহাৰ হোৱাৰ লগতে সমান্তৰাল অৰ্থনীতিত ইন্ধন যোগায়। তেওঁ কয়, যে মাদক দ্ৰব্যৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে সমন্বিত গোলকীয় প্ৰচেষ্টাৰ প্ৰয়োজন আছে আৰু ইয়াৰ বাবে উমৈহতীয়া আইনী কাৰ্য ব্যৱস্থাৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয়, যে মাদক দ্ৰব্যৰ অপব্যৱহাৰে ৰাষ্ট্ৰীয় নীতিত কু-প্ৰভাৱ পেলাইছে আৰু ইয়াক নিয়ন্ত্ৰণৰ বাবে যথোচিত শাস্তিৰ ব্যৱস্থা থকা উচিত।

গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত দুটা বছৰত ভাৰতে মিত্ৰ দেশসমূহৰ সহযোগত মাদক দ্ৰব্যৰ সৈতে জড়িত কেইবাটাও অপৰাধী চক্ৰ কৰায়ত্ত কৰিবলৈ সমৰ্থ হৈছে। তেওঁ ৰাষ্ট্ৰীয় নিৰাপত্তা, জনস্বাস্থ্য আদিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰা মাদক দ্ৰব্যৰ বিৰুদ্ধে জনসাধাৰণে প্ৰতিবাদ আৰু প্ৰতিৰোধ গঢ়ি তোলাৰ বাবে আহ্বান জনায়।

উল্লেখযোগ্য যে, ২০০৭ চনৰে পৰা গৱেষণা আৰু বিশ্লেষণ শাখাৰ প্ৰতিষ্ঠাপক ৰামেশ্বৰ নাথ কাঅ'ৰ স্মৃতিত প্ৰতি বছৰে আৰ এন কাও স্মাৰক বক্তৃতাৰ আয়োজন কৰি অহা হৈছে।

০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে তেওঁৰ দায়িত্বভাৰ গ্ৰহণৰ পাছত প্ৰথমবাৰৰ বাবে আজি ছিকিম ভ্ৰমণলৈ আহিব। শ্ৰীৰাধাকৃষ্ণণে গেংটকত আয়োজন কৰা ৰাজ্যখনৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, ছিকিমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ, মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব। উল্লেখযোগ্য যে, ১৯৭৫ চনৰ এই দিনটোতে ছিকিমে ভাৰতৰ ২২ সংখ্যক ৰাজ্য হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। উপ ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণণে এই ভ্ৰমণ কালত গেংটকৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থান ভ্ৰমণ কৰাৰ সম্ভাৱনা আছে।

০০০০০

চৰকাৰে পেট্ৰ'লৰ ৰপ্তানিৰ প্ৰতি লিটাৰত ৩ টকাকৈ বিশেষ অতিৰিক্ত আবকাৰী শুল্ক আৰোপ কৰিছে। বিত্ত মন্ত্ৰালয়ে এই সন্দৰ্ভত কালি জাৰি অধিসূচনা অনুসৰি ডিজেলৰ ৰপ্তানিত বিশেষ অতিৰিক্ত আবকাৰী শুল্ক প্ৰতি

লিটাৰত ২৩ টকাৰ পৰা ১৬ টকা ৫০ পইচালৈ হ্ৰাস কৰা হৈছে। একেদৰে বিমানৰ টাৰ্বাইন ইন্ধনতো বিশেষ অতিৰিক্ত আবকাৰী শুল্ক প্ৰতি লিটাৰত ৩৩ টকাৰ পৰা ১৬ টকালৈ হ্ৰাস কৰা হৈছে। এই সংশোধিত মূল্য আজিৰে পৰা পৰৱৰ্তী দুসপ্তাহৰ বাবে প্ৰযোজ্য হ'ব।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই অহা ২১ জুনত চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা, NEET পুনৰ অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত সংস্থাটোৱে পৰীক্ষাৰ্থী তথা তেওঁলোকৰ অভিভাৱকসকলক শুদ্ধ তথ্যৰ বাবে কেৱল এন টি এৰ সংশ্লিষ্ট যোগাযোগ মাধ্যমৰ ওপৰতহে ভৰসা কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ পূৰ্বে প্ৰশ্নকাকত ফাদিল হোৱাৰ অভিযোগত যোৱা ৩ মে'ত অনুষ্ঠিত NEET বাতিল কৰা হৈছিল। বিষয়টো সম্প্ৰতি কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, চি বি আয়ে তদন্ত কৰি আছে। পৰীক্ষাৰ্থীসকলে অহা বৃহস্পতিবাৰৰ ভিতৰত তেওঁলোকৰ বৰ্তমানৰ ঠিকনা দাখিল কৰাৰ উপৰি নিজৰ সুবিধা অনুসৰি পৰীক্ষা অনুষ্ঠিত হ'বলগীয়া চহৰসমূহ বাছনি কৰিব পাৰিব বুলি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই জনাইছে। ২১ জুনত বিয়লি ২ বজাৰ পৰা ৫ বাজি ১৫ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ'ব। পৰীক্ষাৰ্থীসকলে অহা ১৪ জুনৰ ভিতৰত প্ৰৱেশপত্ৰ লাভ কৰিব বুলি কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কালি এখন সংবাদমেলত প্ৰকাশ কৰে। সংবাদমেলত কেন্দ্ৰীয় শিক্ষামন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাত নিৰ্দিষ্ট সংস্কাৰৰ প্ৰয়োজন বুলি স্বীকাৰ কৰি ভৱিষ্যতে আঁসোৱাহসমূহ দূৰ কৰি পৰীক্ষা ব্যৱস্থা নিৰ্ভৰযোগ্য কৰি তোলাৰ ক্ষেত্ৰত পদক্ষেপ লোৱা হৈছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয়, যে শিক্ষা মাফিয়াৰ ষড়যন্ত্ৰ অথবা প্ৰৱঞ্চনাৰ বলি হৈ কোনো যোগ্য শিক্ষাৰ্থী তেওঁলোকৰ অধিকাৰৰ পৰা বঞ্চিত হোৱাটো চৰকাৰে নিবিচাৰে।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে শিক্ষা ব্যৱস্থাত স্বচ্ছ আৰু নায্য মূল্যায়ন প্ৰক্ৰিয়াৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰি দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে পৰীক্ষাৰ পাছৰ ফলাফল সন্দৰ্ভত পাবলগীয়া সুবিধাসমূহৰ ৰূপ-ৰেখা দাঙি ধৰি জাননী প্ৰকাশ কৰিছে। এই জাননীখনৰ জৰিয়তে পৰিষদে প্ৰকাশ কৰিছে যে, পৰীক্ষাৰ ফলাফলক লৈ অসন্তুষ্ট শিক্ষাৰ্থীসকলে দুটা পৰ্যায়ত পুনৰ মূল্যায়ন কৰিব পাৰে। ইয়াৰে প্ৰথম পৰ্যায়ত শিক্ষাৰ্থীসকলে নিজৰ উত্তৰ বহীৰ মূল্যায়নৰ বাবে স্কেন কপি বিচাৰি অনলাইন আৱেদন কৰিব পাৰে। দ্বিতীয় পৰ্যায়ত শিক্ষাৰ্থীসকলে প্ৰাপ্ত নম্বৰৰ অমিলৰ পৰীক্ষণ বিচাৰি নিৰ্দিষ্ট উত্তৰৰ পুনৰ মূল্যায়নৰ অনুৰোধ কৰিব পাৰে। শিক্ষা পৰিষদে প্ৰকাশ কৰা মতে, শিক্ষাৰ্থীসকলে চলিত মাহৰ ১৯ৰ পৰা ২২ তাৰিখৰ ভিতৰত স্কেন কপি বিচাৰি আৱেদন জনাব পাৰিব। পুনৰ মূল্যায়নৰ বাবে প্ৰতিটো বিষয়ত ৭০০ টকা মাচুল জমা দিব লাগিব। মূল্যায়ন আৰু পুনৰ মূল্যায়নৰ আৱেদনসমূহ চলিত মাহৰ ২৬ৰ পৰা ২৯ তাৰিখৰ ভিতৰত জমা দিব লাগিব।

০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই মহিলা সবলীকৰণ সমিতি গঠন কৰিছে। লোকসভাৰ বিজেপিৰ সাংসদ ডং ডগুবট্টি পূৰন্দেশ্বৰীক এই সমিতিৰ অধ্যক্ষা হিচাপে নিয়োগ কৰা হৈছে। সমিতিখনত লোকসভাৰ পৰা ১৮ গৰাকী সদস্য আৰু ৰাজ্যসভাৰ পৰা ১০ গৰাকী সদস্য অন্তৰ্ভুক্ত কৰা হৈছে। লোকসভাৰ সদস্যসকলৰ ভিতৰত হেমা মালিনী, হৰছিমৰত কৌৰ বাদল আৰু ইক্ৰা চৌধুৰী আছে। একেদৰে ৰাজ্যসভাৰ পৰা সুধা মূৰ্তি, পি টি উষা আৰু স্বাতী মালিৱালকে ধৰি অন্যান্যসকল আছে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত যোৱানিশা লক্ষ্ণৌৰ একনা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ চুপাৰ জায়েণ্টছে, চেন্নাই চুপাৰ কিংছক ৭ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ চুপাৰ জায়েণ্টছে ১৮৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ চাৰিটা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ গুজৰাট টাইটান্সৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

**সমাপ্ত**